জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

...১ সংখ্যা, ২৯ আঘোণ, মঙলবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 131। DIBRUGARH, TUESDAY, DECEMBER 16, 2025। পৃষ্ঠা ১২+৮ (Pages 12+8) ৯.০...

## গীতে-মাতে মুখৰ ডিব্ৰুগড় গ্ৰন্থমেলাৰ বাকৰি

### চাৰি সাংবাদিকৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা-ডিবৰু পাৰৰ কবিতা শীৰ্ষক অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৫ ডিচেম্বৰ ঃ** ঐতিহাসিক চৌকিডিংগী খেলপথাৰত মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত হৈ থকা গ্ৰন্থমেলাৰ বাকৰিত গীতে-মাতে-কবিতাৰে মুখৰিত হৈ পৰিছে। দেওবাৰৰ দিনটোত গ্ৰন্থৰ সুবাস বিচাৰি হাজাৰ হাজাৰ পাঠকে ভিৰ কৰা পৰিলক্ষিত হৈছে। চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত সবাতোকৈ বিক্ৰী হোৱা গ্ৰন্থসমূহৰ অন্যতম প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সম্পৰ্কীয় গ্ৰন্থ। ইতিমধ্যে জুবিন গাৰ্গক লৈ এক ডজনৰো অধিক বিভিন্ন লেখকৰ গ্ৰন্থ প্ৰকাশ হৈছে। বিশেষকৈ নতুন প্ৰজন্মৰ পঢ়ুৱৈসকলক জুবিন গাৰ্গ সম্পৰ্কীয় গ্ৰন্থই বিশেষভাৱে আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে। ইফালে, চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত ৩৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম পুৰস্কাৰ উদ্দীপ্ত কুমাৰ, দ্বিতীয় পুৰস্কাৰ অন্বেষা বিশ্বাস, তৃতীয় পুৰস্কাৰ দিব্যান দাস, চতুৰ্থ পুৰস্কাৰ নিশান বৰুৱা আৰু পঞ্চম পুৰস্কাৰ ৰুদ্ৰাণী মুখাৰ্জীয়ে লাভ কৰে। আনহাতে 'ক' শাখাত বিচাৰকে কৃতাৰ্থ বৰুৱা, দেৱাংশী সোণোৱাল, সমীৰ ছাহাদ, নমস্য সোণোৱাল আৰু সৃষ্টিমান পাত্ৰক উদগনিমূলক পুৰস্কাৰ ঘোষণা কৰা হৈছে। 'খ' শাখাৰ প্ৰথম পুৰস্কাৰ হিচাপে ধৰিত্ৰী দত্ত, দ্বিতীয় পুৰস্কাৰ সুপ্ৰতীক দে', তৃতীয় পুৰস্কাৰ লাচবি গগৈ, চতুৰ্থ পুৰস্কাৰ শুভাংশু দুৱৰা, পঞ্চম পুৰস্কাৰ ৰাগ অনুৰাগ দাসে লাভ কৰিছে। আনহাতে উদগনিমূলকভাৱে ধৃতিমান কলিতা, ৰিছান লহকৰ আৰু গাৰ্গী খাৰঘৰীয়াৰে ঘোষণা কৰা হৈছে। 'গ' শাখাৰ প্ৰথম পুৰস্কাৰ আৰ্চিয়া দুৱৰা, দ্বিতীয় পুৰস্কাৰ প্ৰিয়াংশি ভৰলুৱা, তৃতীয় পুৰস্কাৰ হিচাপে নিশ্চিতপ্ৰাণ বৰুৱা, চতুৰ্থ পুৰস্কাৰ আৰাধিতা জি এছ বৰশইকীয়া আৰু পঞ্চম পুৰস্কাৰ জিজ্ঞাসা চাংমাইৰ লগতে উদগনিমূলক পুৰস্কাৰ হিচাপে খুশবু কাশ্যপ, বৈশালী নেওগ আৰু এঞ্জেল সিঙে লাভ কৰিছে। 'ঘ' শাখাৰ প্ৰথম পুৰস্কাৰ যুগান্তৰ লাহন আৰু উদগনিমূলক পুৰস্কাৰ ভানুপ্ৰিয়া উৰাঙে লাভ কৰিছে। ডিব্ৰুগড় মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱাৰ ভাগত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত প্ৰয়াত সাংবাদিক হেৰম্ব বৰদলৈ, সাংবাদিক হৰি বিনোদ বাৰ্মা, সাংবাদিক সঞ্জীৱ নন্দী আৰু আদিত্য শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সভাপতি মনজিৎ বৰা, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ বিশিষ্ট সাহিত্যিক ডঃ শশীকান্ত শইকীয়া আৰু বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপদেষ্টা জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ লোহিত শইকীয়াই। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই আদৰণী ভাষণেৰে চিত্ৰাংকন প্ৰতিযোগিতাখন উদ্বোধন কৰি ডঃ শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উত্তৰণৰ উদ্দেশ্যে সাংবাদিক সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক আদৰণি জনায়। উদ্বোধনী অনুষ্ঠানতে 'অনুভৱৰ পৃথিৱীত' নামৰ কাব্যগ্ৰন্থ এখন উন্মোচন কৰে। উদ্বোধনী অনুষ্ঠানত মিলনজ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকা, সাধাৰণ সম্পাদক নিৰোদ কুমাৰ দত্ত, উপ-সভাপতি জ্ঞান শৰ্মা, জ্যেষ্ঠ সাংবাদিক প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী, বিশিষ্ট ফটো সাংবাদিক সৌৰভ দুৱৰা, জ্যেষ্ঠ সাংবাদিক বিভাষ দুৱৰা, যুৱ লেখিকা অৰ্পণা ফুকন দাস আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, বিচাৰক হিচাপে উপস্থিত থকা বিশিষ্ট চিত্ৰকৰ উত্তম শইকীয়া, ৰবীস্মৃতা গগৈ, দেৱকৃষ্ণ বৰুৱা আৰু হৰ্ষজিৎ সন্দিকৈক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। 'খ' শাখাত সাংবাদিক আদিত্য শইকীয়া সোঁৱৰণী প্ৰথম পুৰস্কাৰ, 'খ' শাখাত সাংবাদিক সঞ্জীৱ নন্দী সোঁৱৰণী প্ৰথম পুৰস্কাৰ, 'গ' শাখাত ফটো সাংবাদিক হৰি বিনোদ বাৰ্মা সোঁৱৰণী প্ৰথম পুৰস্কাৰ আৰু 'ঘ' শাখাত সাংবাদিক হেৰম্ব বৰদলৈ সোঁৱৰণী প্ৰথম পুৰস্কাৰ প্ৰদান কৰা হ'ব। আনহাতে 'ক' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰা উদ্দীপ্ত কুমাৰক ডিব্ৰুগড় ডাক বিভাগত এটা বিনামূলীয়া পিপিএফ একাউণ্ট খুলি দিয়াৰ লগতে 'খ' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰা ধৰিত্ৰী দত্তক সুকন্যা সমৃদ্ধি যোজনাৰ এটা একাউণ্ট খুলি দিয়া হ'ব। উক্ত পুৰস্কাৰসমূহ অহা ১৯ ডিচেম্বৰত গ্ৰন্থমেলাতে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ দ্বাৰা অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰা হ'ব। আনহাতে গ্ৰন্থমেলাৰ বাকৰিত আজি ডিব্ৰুগড় নগৰ কবি সন্মিলনৰ উদ্যোগত 'ডিবৰু পাৰৰ কবিতা' শীৰ্ষক এক কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতে কবি অনুভৱ তুলসীৰ সোঁৱৰণত কবি আৰু কবিতাৰ সন্মিলন নামৰ আমন্ত্ৰিত কবিৰ কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। কবি বৈদ্যব্ৰাইট বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানটো উদ্বোধন কৰে বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে। ইফালে একে সময়তে কবি প্ৰণৱ কুমাৰ বৰ্মনৰ সৈতে এক অন্তৰংগ আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়।